# মোৰ দেশ

ভাৰত এখন গণতন্ত্র দেশ হয়। ই এছিয়া মহাদেশত অৱস্থিত। ইয়াৰ মাটি কালি৩২,৮০,৪৮৩ বৰ্গ কি.মি.। ইয়াৰ জনসংখ্য এশ কোটিতকৈয়ো অধিক। ভাৰতবাসীয়ে বিভিন্ন ভাষাত কথা পাতে আৰু হিন্দী ভাষা হ'ল ইয়াৰ ৰাষ্ট্ৰ ভাষা। ভাৰত দেশত বিভিন্ন ধৰ্ম আছে। যেনেঃ হিন্দু, ইছলাম, খৃষ্টান, বুদ্ধ, শিখ, যৈন। ভাৰতৰ অৰ্থনীতি কৃষি আৰু উদ্যোগৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে ইয়াত বেজিৰ পৰা ক্ষেপনাস্ত্ৰ আৰু উপগ্ৰহ লৈ নিৰ্মাণ কৰা হয়। ভাৰতত ডাঙৰ ডাঙৰ নেতাৰ জন্ম হৈছে যেনেঃ মহাত্মা গান্ধী, জৱাহাৰ লাল নেহৰু আৰু মৌলানা আবুল কালাম আজাদ। ভাৰতত অজস্ৰ ঐতিহাসিক স্মৃতি চিন আছে যেনেঃ কুতুব মিনাৰ যাক পৰিদৰ্শন কৰিবলৈ বিদেশৰ পৰা বৃহত সংখ্যক পৰ্য্যটক আহে।

হামিদঃ শুভ সন্ধিয়া!

আদিলঃ শুভ সন্ধিয়া!

হামিদঃ তুমি কিয় ভাৰতলৈ আহিছা?

আদিলঃ মই এজন পৰ্য্যটক, পূৰনি স্মৃতি চিনবোৰ পৰিদৰ্শন কৰিবলৈ আহিছো।

হামিদঃ তোমাক স্বাগতম।

আদিলঃ অশেষ ধন্যবাদ, মই ভাৰতৰ বিষয়ে কিছু তথ্য যুগুত কৰিব বিচাৰো।

হামিদঃ ভাল কথা, তুমি মোৰ পৰা কি তথ্য বিচৰা?

আদিলঃ ভাৰতৰ অৰ্থনীতি কিহৰ ওপৰত নিৰ্ভৰশীল?

হামিদঃ ভাৰতৰ অৰ্থনীতি কৃষি, উদ্যোগ, পৰ্য্যটন আৰু ৰপ্তানীৰ ওপৰত নিৰ্ভৰশীল।

আদিলঃ ভাৰতত কি কি উৎসৱ পালন কৰা হয়।

হামিদঃ আমি সকলো ধৰ্মৰ উৎসৱ সমূহ পালন কৰো উদাহৰণ স্বৰূপে মই মুছলমানৰ ঈদ, হিন্দুৰ হোলী আৰু দেৱালী আৰু খৃষ্টানৰ জন্ম তিথী ইত্যাদি।

আদিলঃ ভাৰতৰ ওচৰ চুবুৰীয়া দেশ সমূহ কি?

হামিদঃ ভাৰতৰ ওচৰ চুবুৰীয়া দেশ সমূহ হ'ল পাকিস্থান, চিন, নেপাল, ভুটান, বাংলাদেশ, বৰ্মা আৰু শ্ৰীলঙ্কা।

আদিলঃ ভাৰতৰ মুদ্ৰা কি?

হামিদঃ ভাৰতৰ মুদ্ৰা হ'ল ৰুপিয়া।

আদিলঃ এই মল্যবান তথ্যখিনিৰ বাবে অশেষ ধন্যবাদ।

হামিদঃ ক্ষমা কৰিবা, তোমাৰ শুভ বাসস্থান কামনা কৰিলো।